# Assamese Department, Nonoi College.

## Inauguration of *KRISHNA KANAI-3* Album/2021
## Composed by Dr. Basanta Bora , Assistant Professor of Assamese Dept.

### নৈনৈ মহাবিদ্যালয়ৰ IQAC ৰ উদ্যোগত
### অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ বসন্ত বৰাৰ কৃষ্ণ কানাই-৩ উন্মোচন
### ১৭ নবেম্বৰ,২০২১

"শৰত কালৰ ৰাত্ৰি অতি বিতোপন । ৰাস ক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন ।।"- মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত এই বাণী সাৰোগত কৰি ১৭ নবেম্বৰ,২০২১ তাৰিখে নৈনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ বসন্ত বৰাৰ শ্ৰীকৃষ্ণৰ ৰাসলীলা আধাৰিত ভক্তিগীত "কৃষ্ণ কানাই-৩" শ্ৰব্য সঁফুৰাটি মহাবিদ্যালয়খনৰ প্ৰাংগনত শুভ উন্মোচন কৰা হয় । নৈনৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰীতা শৰ্মাই গীতটি উন্মোচন কৰি কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ "কেলি গোপাল" নাটৰ আধাৰত ৰচিত ড০ বসন্ত বৰাৰ "কৃষ্ণ কানাই- ৩"য়ে গোপী-কৃষ্ণ লীলাৰ যি ৰসময় পৰিৱেশ ৰচনা কৰিছে সেয়া গৌৰৱ আকৰ স্বৰূপ । মহাবিদ্যালয়খনৰ সাংস্কৃতিক দিশটিক সমৃদ্ধ কৰি অহা বৰা ডাঙৰীয়া ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সংগীত প্ৰেমীসকলৰ বাবে আদৰ্শ হওক । উল্লেখ যোগ্য যে ২০২০ বৰ্ষত মুক্তি লাভ কৰা ড০ বসন্ত বৰাৰ "কৃষ্ণ কানাই-১"গীতটিয়ে ইতিমধ্যে জনপ্ৰিয়তাৰ শীৰ্ষত আৰোহণ কৰিবলৈ সক্ষম হৈছে । নৈনৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰূপক কোষৰ সমন্বয়ক ৰাতুল শইকীয়াই আঁত ধৰা অনুষ্ঠানটিৰ প্ৰাৰম্ভণিতে গীতটিৰ সৈতে জড়িত কন্ঠশিল্পী ড০ বসন্ত বৰা,প্ৰিয়াংকী বৰা আৰু নৃত্যশিল্পী ক্ৰমে মানস বৰা,নমিষা ভূঞা,ৰশ্মি বৰা,অলকা বসুমতাৰী,পৰিস্মিতা শইকীয়া আৰু জ্যোতিস্মা বৰাক IQAC ৰ তৰফৰ পৰা আদৰণি জনোৱা হয় । কৃষ্ণ কানাই-৩ৰ সুৰ ড০ বসন্ত বৰাৰ । সংগীত ব্যৱস্থাপনা আৰু শব্দ সংমিশ্ৰণ প্ৰাঞ্জল বৰাৰ । সহযোগী কন্ঠ শিল্পী কৃষ্ণা দাস আৰু কুলদীপ বৰা । বসন্ত বৰা মিউজিকেল ইউটিউব চ্যানেলটিত উপলব্ধ হ'ব লগা কৃষ্ণ কানাই-৩ উন্মোচনী অনুষ্ঠানটিত নৈনৈ মহাবিদ্যালয়ৰ দেৱযানী বৰা,ৰুণু দেৱী,সাগৰ সুবেদী,ড০ আব্দুল হাকিম প্ৰমুখ্যে অধ্যাপিক-অধ্যাপিকাসকল,কৰ্মচাৰী বৃন্দ,ছাত্ৰ একতা সভাৰ সদস্যসকল,ছাত্ৰ-ছাত্ৰীসকল, সাংস্কৃতিক কৰ্মী পংকজ ভট্টাচাৰ্য আদি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে ।

## Assamese Department, Nonoi College.

**Inauguration of *KRISHNA KANAI-3* Album / 17th November, 2021**
**Composed by Dr. Basanta Bora, Assistant Professor of Assamese Dept.**

## Photographs:



**KRISHNA KANAI-3 INNOGORATION**




**KRISHNA KANAI-3 INNOGORATION**